**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-SEP-2026
**Time :** 0755 HRS

## ***Assamese Morning Bulletin***

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ হ'বলগীয়া দেশৰ প্ৰথমটো চাৰিটা লেনযুক্ত দ্বৈত টিউব টানেল প্ৰকল্পৰ বাবে নিবিদা আহ্বান কৰিছে। গহপুৰৰ পৰা উজনি অসমৰ নুমলীগড়লৈ নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ মুঠ দৈৰ্ঘ্য ৩৩ দশমিক ৭-০ কিলোমিটাৰ হ'ব। প্ৰকল্পটোত চাৰিটা লেনযুক্ত পথৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেদি প্ৰায় ১৫ দশমিক ৭-৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দ্বৈত টিউব টানেল নিৰ্মাণ কৰা হ'ব। দুয়োটা টিউবত দুটাকৈ লেন থাকিব আৰু ইয়াৰে এটা টিউবত ৰে'ল চলাচলৰ বাবে বিশেষ ব্যৱস্থা সন্নিৱিষ্ট কৰা হ'ব। প্ৰকল্পটোৰ মুঠ মূলধনী ব্যয় ১৮ হাজাৰ ৬৬২ কোটি ২ লাখ টকা ধাৰ্য কৰা হৈছে। এই সুৰংগ তথা কৰিডৰ সম্পূৰ্ণ হ'লে গহপুৰ-নুমলীগড়ৰ মাজৰ দূৰত্ব ২৪০ কিলোমিটাৰ হ্ৰাস পাই প্ৰায় ৩৪ কিলোমিটাৰ হ'ব। প্ৰকল্পটোৰ কাম সম্পূৰ্ণ হ'লে গহপুৰ-নুমলীগড়ৰ মাজত যাত্ৰাৰ সময় ৬ ঘণ্টাৰ পৰা ২০ মিনিটলৈ হ্ৰাস পাব বুলি আশা কৰা হৈছে। প্ৰকল্পটোৱে অকল ৰাজ্যৰ দুটা গুৰুত্বপূৰ্ণ অঞ্চলক সংযোগ কৰাই নহয় বৰং সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাক গতি প্ৰদান কৰিব।

০০০০০০

গোলাঘাট স্বাস্থ্য বিভাগে কালি জিলাখনৰ শয্যাগত আৰু দীৰ্ঘদিনীয়া গুৰুতৰ ৰোগত আক্ৰান্ত লোকসকলৰ ঘৰে ঘৰে গৈ প্ৰশমনমূলক যত্ন সেৱা আগবঢ়ায়। জিলাখনত এই পৰ্যন্ত ২৮৭ গৰাকী এনে ৰোগীক স্বাস্থ্য বিভাগৰ দ্বাৰা সেৱা প্ৰদান কৰা হৈছে। আয়ুষ্মান আৰোগ্য মন্দিৰত কৰ্মৰত সামূহিক স্বাস্থ্য বিষয়া, এ এন এম আৰু স্বাস্থ্যকৰ্মীৰ লগতে আশাকৰ্মীসকলে নিয়মীয়াকৈ ৰোগীসকলৰ গৃহ ভ্ৰমণ কৰি স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় ঔষধ আৰু স্বাস্থ্য সেৱা আগবঢ়ায়। লগতে ৰোগীৰ পৰিয়ালক দৈনন্দিন যত্ন, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সহায়ৰ বিষয়ে পৰামৰ্শ প্ৰদান কৰি ৰোগীসকলক সেৱা আৰু সুস্থ কৰি তোলাৰ বাবে স্বাস্থ্য বিভাগে এই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ অহা দেওবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীলৈ আহিব। এই ভ্ৰমণ কালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ দেওবাৰে পুৱা চাৰে ১০ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এটা অনুষ্ঠানত উপস্থিত থাকিব। সেইদিনাই বিয়লি ৩ বাজি ১৫ মিনিটত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এটা অনুষ্ঠানত ভাগ ল'ব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে নিশা গুৱাহাটীত কটাব। তেওঁ সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত হ'বলগীয়া এটা অনুষ্ঠানত অংশ ল'ব।

০০০০০০

অসম অৰুণাচল সীমান্তৰ মিংমাং বদতিত যোৱা ১০ আগষ্টত সংঘটিত হিংসাত্মক ঘটনাৰ প্ৰতিবাদত ধেমাজিত দল সংগঠনে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। জিলাখনৰ ৭টা জাতীয় সংগঠনৰ যৌথ মঞ্চ- ধেমাজী ঐক্যমঞ্চই স্থানীয় ৰাইজৰ সহযোগত কালি কাছাৰী ময়দানৰ সন্মুখত ৰাজহুৱা মুণ্ডন আৰু অৱস্থান

ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে এই ঘটনাৰে জড়িত দুৰ্বৃত্তক শীঘ্ৰে গ্ৰেপ্তাৰ, অসম অৰুণাচলৰ সীমা সমস্যাৰ সমাধান, অসমৰ মাটিত স্থাপন কৰা অৰুণাচলৰ নিৰাপত্তাৰক্ষীৰ শিবিৰ স্থানান্তৰকৰণ, আন্তঃৰাজ্যিক সীমা অঞ্চলত বাস কৰা অসমৰ প্ৰতিজন নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাকে ধৰি বিভিন্ন দাবী জনায়। তেওঁলোকে লগতে মিংমাং বদতিৰ ঘটনাত আহত হোৱা লোকসকলৰ এককালীন সাহায্য ২ লাখৰ পৰা ৫ লাখ টকালৈ বৃদ্ধি কৰাৰ বাবেও দাবী জনায়।

০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজান আৰক্ষীয়ে কালি অভিযান চলাই দুজন মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। দুলীয়াজানৰ হুকুটা অঞ্চলৰ এটা ভাড়াঘৰত অভিযান চলাই আৰক্ষীয়ে এই লোক দুজনক গ্ৰেপ্তাৰ কৰাৰ লগতে কিছু মাদক দ্ৰব্য আৰু এবিধ অস্ত্ৰ জব্দ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ এছিয়া কাপৰ গ্ৰুপ-এৰ দ্বিতীয়খন খেলত ভাৰতে আজি হংকঙৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। যোৱা দেওবাৰে ডুবাইত থাইলেণ্ডৰ বিৰুদ্ধে ৯৪ ৰানেৰে ভাৰতীয় দলটোৱে জয়লাভ কৰে।

যোৱা নিশা ডুবাইত অনুষ্ঠিত গ্ৰুপ 'বি' ৰ খেলখনত শ্ৰীলংকাই ইণ্ডোনেছিয়াক ৭৫ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১২৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইণ্ডোনেছিয়াই ১৮ অভাৰ আৰু ৩টা বলত আটাইকেইটা হেৰুৱাই মাত্ৰ ৪৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ ৭টা উইকেট দখল কৰা চামাৰী আথাপথ্থুক প্লেয়াৰ অৱ দ্য মেচ ঘোষণা কৰা হয়।

০০০০০০

**সমাপ্ত**